**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-SEP-2026
**Time :** 12.05 PM

**ASSAMESE 12.05 PM BULLETIN**

———————————————————————————

১। দিছপুৰৰ লোকসেৱা ভৱনত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠক।

২। আগিয়াঠুৰি-কামাখ্যা ষ্টেচনৰ মাজৰ ৰে'লপথ দ্বৈতকৰণসহ দ্বিতীয়খন শৰাইঘাট পথ তথা ৰে'ল দলং প্ৰকল্প অহা অক্টোবৰত আৰম্ভ হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰকাশ।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়া অব্যাহত। **আৰু**

৪। এছিয়ান গেমছত ৰূপৰ পদক অৰ্জন কৰা ৰ'ছিবীনা দেৱী আৰু ব্ৰঞ্জৰ পদক লাভ কৰা সৎনাম সিং আৰু চলমান খানক ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ অভিনন্দন।

০০০০০০

দিছপুৰৰ লোকসেৱা ভৱনত ৰাজ্যিক মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হৈছে। কিছু সময়ৰ পাছত বৈঠকত লোৱা সিদ্ধান্তৰ বিষয়ে সংবাদ মাধ্যমক অৱগত কৰোৱা হ'ব।

০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই আগিয়াঠুৰি-কামাখ্যা ষ্টেচনৰ মাজৰ ৰে'লপথ দ্বৈতকৰণসহ দ্বিতীয়খন শৰাইঘাট পথ তথা ৰে'ল দলং প্ৰকল্প অহা অক্টোবৰত আৰম্ভ হ'ব। উত্তৰ-পূব সীমান্ত ৰে'লৱেই কালি এটা বিবৃতিযোগে কয়, যে অসমৰ যাতায়াত আন্তঃগাঁথনিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সংযোজন হিচাপে পৰিগণিত হ'বলগীয়া এই প্ৰকল্পই ব্ৰহ্মপুত্ৰৰ ওপৰেৰে ৰে'ল আৰু পথ সংযোগ অধিক উন্নত কৰাৰ লগতে গুৱাহাটীৰ যাতায়াত সামৰ্থ্য বৃদ্ধি কৰিব। ৰে'ল মন্ত্ৰালয়ে আগিয়াঠুৰি আৰু কামাখ্যা ষ্টেচনৰ মাজৰ ৭ দশমিক ২ - ০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথ দ্বৈতকৰণ প্ৰকল্পটোত ২০২৪ চনত অনুমোদন জনাইছিল। ইয়াৰ পাছত প্ৰকল্পটোৰ বিস্তৃত পৰিকল্পনা আৰু নিবিদা প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছিল। দেশৰ আগশাৰীৰ অভিযান্ত্ৰিক আৰু নিৰ্মাণ প্ৰতিষ্ঠানসমূহৰ অন্যতম লাৰ্ছেন এণ্ড টুব্ৰ'ক প্ৰকল্পটোৰ ৰূপায়ণৰ দায়িত্ব অৰ্পন কৰা হৈছে। প্ৰকল্পটোৰ অংশ হিচাপে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া ১ দশমিক ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ডাবল ডেকাৰ ৰে'ল তথা পথ সেতুৰ তলৰ স্তৰত দুটা ৰে'লপথ থাকিব আৰু ওপৰৰ স্তৰত তিনিশৰীয়া পথ থাকিব।

০০০০০০

গ্ৰাহকসকলৰ সুবিধাৰ্থে অহা দেওবাৰে ৰাজহুৱা খণ্ডৰ সকলো বেংক আৰু আঞ্চলিক গ্ৰাম্য বেংকসমূহ খোলা থাকিব বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ২৬ আৰু ২৭ ছেপ্তেম্বৰৰ সাপ্তাহান্তিক বন্ধৰ পাছতে বেংক কৰ্মচাৰী সংগঠনসমূহে ২৮ৰ পৰা ৩০ ছেপ্তেম্বৰলৈ আহ্বান জনোৱা তিনিদিনীয়া ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ভাৰতীয় ৰিজাৰ্ভ বেংকে অহা দেওবাৰে বেংকৰ শাখা, কাৰ্যালয়, এটিএম সংলগ্ন শাখা আৰু মুদ্ৰা ভঁৰালসমূহ সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰি ৰখাত অনুমোদন জনাইছে। চৰকাৰ আৰু বেংক ব্যৱস্থাপনা কৰ্তৃপক্ষই কৰ্মচাৰী

সংগঠনসমূহক প্ৰস্তাৱিত ধৰ্মঘট উঠাই ল'বলৈ আহ্বান জনাইছে। চৰকাৰে লগতে অত্যাৱশ্যকীয় বেংকিং সেৱাসমূহ বাধাৰহিতভাৱে অব্যাহত থকাটো নিশ্চিত কৰাৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

সমগ্ৰ শিক্ষা অসমে ২০২৭ বৰ্ষৰ গুণোৎসৱৰ সূচীত সাল-সলনি ঘটাইছে। সেই অনুসৰি ১৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ মুঠ ৩ টা পৰ্যায়ত ৰাজ্যৰ ৩৫ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। সংশোধিত সূচী অনুসৰি ১৯ ৰ পৰা ২২ জানুৱাৰীলৈ প্ৰথম পৰ্যায়ত ১১ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। এই জিলাসমূহৰ ভিতৰত - বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, পশ্চিম কাৰ্বি আংলং, হোজাই, কামৰূপ, তামুলপুৰ, ওদালগুৰি, হাইলাকান্দি, ধুবুৰী আৰু বাক্সা আছে। ২৫ ৰ পৰা ৩০ জানুৱাৰীলৈ ১৩ খন জিলা ক্ৰমে – গোলাঘাট, যোৰহাট, বৰপেটা, বজালী, কাৰ্বি আংলং, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, শিৱসাগৰ, শ্ৰীভূমি, দক্ষিণ শালমাৰা মানকাচৰ, কামৰূপ মহানগৰ আৰু শ্ৰীভূমিত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। একেদৰে ২ ৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ ১১ খন জিলা - বঙাইগাঁও, কাছাৰ, চিৰাং, দৰং, ডিমাহাচাও, ধেমাজি, গোৱালপাৰা, মৰিগাঁও, মাজুলী, নলবাৰী আৰু শোণিতপুৰত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত আজি দ্বিতীয় দিনা প্ৰবাসী অসমীয়া তথা ছিংগাপুৰৰ অসম এছ'চিয়েছনৰ সভাপতি অভিমন্যু তালুকদাৰ সাক্ষ্য প্ৰদানৰ বাবে আদালতত উপস্থিত হৈছে। আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত আন ব্যক্তিসকলৰ অধিবক্তাসকলে শ্ৰীতালুকদাৰক জেৰা কৰিব। উল্লেখযোগ্য যে শ্ৰীতালুকদাৰক কালি অভিযুক্ত শ্যামকানু মহন্তৰ অধিবক্তাই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত জেৰা কৰে। ইয়াৰ পূৰ্বে এই গোচৰ সংক্ৰান্তত প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মা, সুস্মিতা গোস্বামী, প্ৰতিম লহকৰ, দেৱজ্যোতি হাজৰিকা আৰু জিও লাংছাট নাৰ্জাৰীয়ে আদালতত সাক্ষ্যদান কৰিছে।

০০০০০০

উত্তৰ গুৱাহাটীক স্বচ্ছ আৰু সেউজীকৰণ কৰাৰ উদ্দেশ্যে আজি উত্তৰ গুৱাহাটী পৌৰসভাৰ অধীনত আৱৰ্জনা সংগ্ৰহৰ বাবে ৭ খন বাহন মুকলি কৰা হয়। ভিজা, শুকান, অনাময় আৰু ঘৰুৱা আৱৰ্জনা চাৰিটা ভাগত পৃথক কৰি এই জাৱৰসমূহ সংগ্ৰহ কৰাৰ পৰিকল্পনা লোৱা হৈছে। উত্তৰ গুৱাহাটী পৌৰসভাৰ উপ-পৌৰপতি অনিল দাস আৰু পৌৰসভাৰ কাৰ্যবাহী বিষয়া তৃষ্ণা মিলিয়ে এই বাহনকেইখন মুকলি কৰে।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া কালি সম্পন্ন হয়। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত দুয়োখন নিৰ্বাচনী জিলাৰ বাবে এই প্ৰক্ৰিয়া নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই প্ৰক্ৰিয়াত নিৰ্বাচনী সাধাৰণ পৰ্যবেক্ষক আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। উল্লেখযোগ্য যে ইভিএমসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ নম্বৰ সংযোজন কৰা হৈছে আৰু নগাঁও আৰু মৰিগাঁও দুয়োখন জিলাতে ভোটগ্ৰহণ কেন্দ্ৰভিত্তিক ইভিএমসমূহৰ পৃথকীকৰণৰ কাম চলি আছে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজনৈতিক দলসমূহে সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ হৈ আজি মন্ত্ৰী

পীযুষ হাজৰিকাই জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত আহতগুৰি ডেকাগাঁও বিহুমঞ্চত আয়োজিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ জনসাধাৰণে অভূতপূৰ্ব সমৰ্থন আগবঢ়াইছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীয়ে জনসাধাৰণৰ প্ৰত্যাশা আৰু প্ৰত্যাহ্বানসমূহ আন্তৰিকতাৰে বুজ লোৱাৰ চেষ্টা কৰিছে। ইপিনে মন্ত্ৰীগৰাকীয়ে কালি ৰহা বিধানসভা সমষ্টিৰ ঘাঁহি মুকলি মঞ্চত আয়োজিত প্ৰচাৰ সভাত অংশ লয়। মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ দৰে ভৱিষ্যতেও ৰাইজৰ কল্যাণৰ বাবে সমৰ্পিত মনোভাৱেৰে কাম কৰিবলৈ সংকল্পবদ্ধ বুলি উল্লেখ কৰি কংগ্ৰেছৰ দীঘলীয়া শাসনকালৰ সমালোচনা কৰে। বৰ্তমান সময়ত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ জৰিয়তে জনসাধাৰণ উপকৃত হৈছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীহাজৰিকাই ৰহাৰ কাকমাৰী মুকলি মঞ্চত আন এখন নিৰ্বাচনী সভাতো অংশ লয়।

সাংসদ তথা অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া ৰূপহীহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰঘূলিত কালি এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ হৈ প্ৰচাৰ চলায়। এই নিৰ্বাচনী প্ৰচাৰ সভাত বিধায়ক প্ৰদ্যুৎ বৰদলৈ, দিপ্লুৰঞ্জন শৰ্মাৰ লগতে ৰাজ্যিক বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশ লয়।

কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰাৰ সমৰ্থনতো বিভিন্ন স্থানত প্ৰচাৰ চলোৱা হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কালি জাগীৰোড আৰু মায়ং ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাৰ হৈ প্ৰচাৰ চলায়। এই নিৰ্বাচনী প্ৰচাৰ সভাত সাংসদ ৰকিবুল হুছেইন, জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা চত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলো উপস্থিত আছিল।

এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলে কালি নগাঁৱত প্ৰচাৰ সভাত ভাগ লয়। তেওঁ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত দলটো জয়ী হ'ব বুলি দাবী কৰে।

000000

শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ডাক বেলটযোগে ভোটদানৰ বাবে আবেদন কৰা লোকসকলে পৰহিলৈ ভোটদান কৰিব পাৰিব। শিলচৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বহুমুখী বিদ্যালয়ত পুৱা চাৰে ৯ বজাৰ পৰা বিয়লি ৫ বজালৈ ভোটদান কৰিব পাৰিব। নিৰ্বাচন কৰ্তৃপক্ষই ইয়াৰ বাবে আবেদন কৰা সংশ্লিষ্ট ভোটদাতাসকলক ভোটদান প্ৰক্ৰিয়া সুকলমে আৰু সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অহা ৩ অক্টোবৰত অনুষ্ঠিত হ'ব। এই উপলক্ষে সেইদিনা শিলচৰ পৌৰ নিগম এলেকাত ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে। ৰাজ্যপালৰ অনুমোদনমৰ্মে জাৰি কৰা অধিসূচনা অনুসৰি ৩ অক্টোবৰত শিলচৰ পৌৰ নিগম এলেকাৰ অন্তৰ্গত সকলো চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠান বন্ধ থাকিব।

000000

ভাৰতৰ ৰ'ছিবীনা দেৱীয়ে জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছত উশ্বুৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ ছান্দা শিতানত ৰূপৰ পদক অৰ্জন কৰিছে। ৰ'ছিবীনাই আজি ফাইনেলত চীনৰ ঝাংগ শ্বিয়াঅ'য়ুৰ হাতত ০-২ ফলাফলত পৰাভূত হয়। খেলুৱৈগৰাকীয়ে এছিয়ান গেমছৰ ইতিহাসত এইবাৰকে ধৰি ৩ টা পদক অৰ্জন কৰিছে। ৰ'ছিবীনাই ইয়াৰ পূৰ্বে ২০২৩ চনত অনুষ্ঠিত হাংঝৌ এছিয়ান গেমছত ৰূপৰ আৰু ২০১৮ চনত অনুষ্ঠিত জাকাৰ্টা-পালেমবাং এছিয়ান গেমছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ইপিনে, ভাৰতৰ সৎনাম সিং আৰু চলমান খানে পুৰুষৰ নৌচালনাৰ স্কলছৰ ডাব্‌লছত ব্ৰঞ্জৰ পদক লাভ

কৰিছে। ভাৰতীয় যুটিটোৱে এহেজাৰ ৫০০ মিটাৰলৈকে দ্বিতীয় স্থানত থাকে যদিও শেষৰ ৫০০ মিটাৰত তৃতীয় স্থানলৈ অৱনমিত হয়। ইয়াৰ পূৰ্বে সৎনাম সিঙে হাংঝৌ এছিয়ান গেমছত পুৰুষৰ কোৱাড্ৰপল স্কল্‌ছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে এছিয়ান গেমছত ৰূপৰ পদক অৰ্জন কৰা ৰ'ছিবীনা দেৱী আৰু ব্ৰঞ্জৰ পদক লাভ কৰা সৎনাম সিং আৰু চলমান খানক অভিনন্দন জনাইছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কিছুসময়ৰ পূৰ্বে দিয়া এটা বাৰ্তাত কয়, যে একেৰাহে এছিয়ান গেমছৰ তিনিটা সংস্কৰণত পদক অৰ্জন কৰাটো ভাৰতীয় উশ্বু খেলৰ বাবে সঁচাকৈ উল্লেখনীয় সাফল্য আৰু ঐতিহাসিক মাইলৰ খুটি। ৰ'ছিবীনাৰ প্ৰেৰণাদায়ক যাত্ৰাই অনাগত সময়ত দেশৰ বাবে গৌৰৱৰ ক্ষণ কঢ়িয়াই আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে। সৎনাম সিং আৰু চলমান খানক অভিনন্দন জনাই ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে তেওঁলোকৰ প্ৰদৰ্শনে ৰয়িং খেলৰ বাবে প্ৰয়োজনীয় দলীয় ভাৱনা, ধৈৰ্য, নিষ্ঠা আৰু সমৰ্পণৰ মনোভাৱক প্ৰতিফলিত কৰে। তেওঁ লগতে খেলুৱৈ দুগৰাকীৰ উজ্বল ভৱিষ্যত কামনা কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এছিয়ান গেমছত একেৰাহে তিনিটা পদক অৰ্জন কৰি ৰছিবীনাই ইতিহাস ৰচনা কৰিছে। তেওঁ লগতে সৎনাম আৰু চলমানৰ অভূতপূৰ্ব সাফল্যই দলীয় ভাৱনাৰ শক্তিক প্ৰতিফলিত কৰা বুলি মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত কয়, যে একেৰাহে এছিয়ান গেমছৰ তিনিটা সংস্কৰণত পদক অৰ্জন কৰিব পৰাটো সঁচাকৈ উল্লেখনীয় সাফল্য।

তেওঁ কয়, যে ৰছিবীনাৰ ধাৰাবাহিকতা, সাহস আৰু ধৈৰ্য সঁচাকৈ প্ৰশংসনীয়। শ্ৰী মোদীয়ে সৎনাম সিং আৰু চলমান খানক অভিনন্দন জনাই কয়, যে খেলুৱৈ দুগৰাকীৰ অসাধাৰণ প্ৰদৰ্শনেৰে দেশে এছিয়ান গেমছত আৰু এটা পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। তেওঁলোকৰ ধৈৰ্য, নিষ্ঠা, সংযম আৰু সমন্বয়ৰ প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই সাফল্যই তেওঁলোকক অনাগত সময়ত আৰু উন্নত প্ৰদৰ্শন আগবঢ়াবলৈ প্ৰেৰণা যোগাব।

০০০০০০

**সমাপ্ত**